LCN ILAM-LYNTI CHITTARA NERALU IS AN INTERNATIONAL NETWORK THAT WORKS TOWARDS IMPROVED AND RIGHT-BASED SHELTER SERVICES FOR SURVIVORS OF VIOLENCE



# লিংগ-সংবেদনশীল আশ্ৰয়গৃহ

## প্ৰশিক্ষণ-পৰিচালনাকাৰীৰ হাতপুথি

~ এল চি এন নেটৱৰ্ক ~

**লিংগ-সংবেদনশীল আশ্ৰয়গৃহ**
প্ৰশিক্ষণ-পৰিচালনাকাৰীৰ হাতপুথি


**মাৰ্চি কাপ্লান, ৰাজকুমাৰী নিম্বালে, ৰ'জ্বেন চন্দ্ৰন**
**লাম-লিন্টি চিত্তাৰা নেকলা নেটৱৰ্ক**



আমেৰিকান জিউইশ্ব ৰ্ল্ড চাৰ্ভিচৰ সহযোগত

**প্ৰকাশক : বিস্থাৰ**

Visthar

KRC Road, Kothanur Post, Bengaluru – 560 077. India
+91 80 28465294 / 28465295
@visthar.org
visthar.org

**অলংকৰণ – জীনা চাৰা গিগি**
**ডিজাইন আৰু লে আউট – এম. ভি. ৰাজীৱন**


# সূচীপত্ৰ


| | |
|---|---|
| *পাতনি* | ৫ |
| *প্ৰশিক্ষণ পৰিচালনাকাৰীৰ বাবে নিৰ্দেশাৱলী* | ৭ |
| *সমীক্ষা* | ৯ |
| ১. জৈৱিক আৰু সামাজিক লিংগ – কেৱল দুইধৰণৰ ধাৰণাৰ সীমাৰ সিপাৰে | ১০ |
| ২, যৌন তথা লিংগ-ভিত্তিক সংখ্যালঘুসকল | ১৬ |
| ৩, লিংগ-ভিত্তিক নিৰ্যাতন আৰু ক্ষমতা | ২৪ |
| ৪, উত্তৰজীৱী কাক কয়? | ৩২ |
| ৫, উত্তৰজীৱীৰ প্ৰয়োজন সমূহ | ৩৬ |
| ৬, উত্তৰজীৱীসকলৰ সন্তানৰ ওপৰত পৰিব পৰা প্ৰভাৱ | ৪৩ |
| ৭, আশ্ৰয় গৃহত থকা উত্তৰজীৱীসকলে সন্মুখীন হোৱা বৈষম্যসমূহ | ৪৯ |
| ৮, মই কোন? | ৫১ |
| ৯, মানসিক স্বাস্থ্যৰ প্ৰতি সংবেদনশীল সঁহাৰি | ৫৫ |
| ১০, 'কুইয়েৰ' স্বীকৃতিসূচক নাৰীবাদী পৰামৰ্শ | ৬১ |
| ১১, কৰ্মচাৰীসকলৰ নিজৰ যত্ন | ৬৬ |
| ১২, নীতি-নিৰ্দেশনাৰ সংবেদনশীল প্ৰয়োগ | ৭০ |
| ১৩, সকলোকে সামৰি লোৱা, এক সশক্ত পৰিবেশৰ কল্পনা | ৭৪ |



নিৰ্জীৱ জীৱন এটা জী মই নমৰোঁ
পৰি যোৱা বা পুৰি যোৱাৰ ভয় বুকুত লৈ
জীৱনটো পাৰ নকৰোঁ।

জীৱনৰ প্ৰতিটো দিন মই নিজৰ কৰি লওঁ,
যাতে মোৰ জীৱন যাত্ৰাই মোক মুক্ত কৰে,
ভয়হীন কৰি তোলে
বান্ধোনবোৰ খুলি খুলি
হৃদয়খন ডেউকা হৈ পৰালৈকে,
পোহৰৰ এক উৎস, এটা প্ৰতিশ্ৰুতি।

আপোন স্বাৰ্থত জীয়াই থকাতকৈ
মই এনেদৰে জীৱনটো পাৰ কৰিব বিচাৰোঁ যাতে
মোলৈ যি বীজ হৈ আহিছিল পিছৰ প্ৰজন্মই তাক ফুল ৰূপে পায়,
আৰু যি মোলৈ ফুল হৈ আহিছিল
ফল হৈ মোৰপৰা আগবাঢ়ি যায়।

ডনা মাৰ্কোভা

# পাতনি

এল চি এন (লাম-লিণ্টি চিত্তাৰা নেৰালু) হৈছে এক ৰাষ্ট্ৰীয় নেটৱৰ্ক যি লিংগ-ভিত্তিক নিৰ্যাতনৰ উত্তৰজীৱী মহিলা আৰু ৰূপান্তৰকামীসকলৰ বাবে উত্তৰজীৱী-কেন্দ্ৰিক আৰু অধিকাৰ ভিত্তিক আশ্ৰয়গৃহৰ বিকাশৰ দিশত কাম কৰি আছে। নেটৱৰ্কটো ২০১৬ চনত ভাৰতৰ বিভিন্ন ঠাইৰ নাৰী অধিকাৰ, মানৱ অধিকাৰ আৰু নাৰীবাদী সংগঠনৰ দ্বাৰা গঠন কৰা হৈছিল। আমাৰ লক্ষ্য হৈছে আশ্ৰয় গৃহবোৰক সক্ষম সামূহিক-ব্যৱস্থাৰ সৈতে পৰিৱৰ্তনকামী আৰু উত্তৰজীৱী-কেন্দ্ৰিক কৰি তুলিব পৰাকৈ এক পুন:পৰিকল্পনাৰ সূচনা কৰা।

২০১৭ চনৰপৰা ২০১৯ চনলৈ এলচিএনৰ আঠটা সদস্য সংগঠনে (একচন ইণ্ডিয়া, জাগোৰী, নজৰিয়া, একতা, নৰ্থ ইষ্ট নেটৱৰ্ক, সঙ্গমা, বিমোচনা আৰু বিস্থাৰ) আশ্ৰয় গৃহৰ সম্পৰ্কত মহিলা উত্তৰজীৱীসকলৰ অভিজ্ঞতাৰ ওপৰত পাঁচটা ৰাজ্য-ভিত্তিক গৱেষণা চলাইছিল, আৰু 'চাৰ্ভাইভাৰ স্পিক' (Survivor Speak) শীৰ্ষক এখন ৰাষ্ট্ৰীয় প্ৰতিবেদন প্ৰকাশ কৰিছিল। সেই অধ্যয়নৰপৰা স্পষ্ট হয় যে মহিলা আৰু এলজিবিটি+ উত্তৰজীৱীসকল আন কোনো উপায় নাথাকিলেহে আশ্ৰয়গৃহলৈ আহে। আশ্ৰয়গৃহলৈ আহিবলৈ অনিচ্ছাৰ কাৰণ হিচাপে দেখা যায় তাত জীৱন নিৰ্বাহৰ প্ৰতিকূল পৰিস্থিতি, মুকলি চলন-ফুৰণৰ সীমাবদ্ধতা, স্বাধিকাৰৰ অভাৱ, আশ্ৰয়স্থলত বাস কৰাৰ বদনাম, আৰু নামভৰ্তিৰ সময়ত তথা আশ্ৰয় গৃহৰ বাসিন্দা হিচাপে সন্মুখীন হোৱা বৈষম্য।

এল.চি.এন.-এ ২০২০ চনত পাৰিবাৰিক নিৰ্যাতনৰ উত্তৰজীৱীসকলৰ কাৰণে থকা সেৱাৰ ওপৰত কোভিড মহামাৰীৰ প্ৰভাৱ মূল্যাঙ্কন কৰিবলৈ দেশৰ সাতখন ৰাজ্যত এক জৰীপ চলাইছিল। At Home. At Risk অৰ্থাৎ "ঘৰত, বিপদৰ সম্ভাৱনাত" শীৰ্ষক অধ্যয়নটোৰ ফলাফল সামাজিক মাধ্যম আৰু ৱেবিনাৰৰ জৰিয়তে ব্যাপকভাৱে প্ৰচাৰ কৰা হৈছিল। সেইবোৰ বিভিন্ন নীতি নিৰ্ধাৰণ পৰ্যায়ত লিংগ-ভিত্তিক নিৰ্যাতন সম্পৰ্কীয় অনান্য দিশবোৰৰ সৈতেও সংলগ্ন কৰা হৈছে।

ওপৰোক্ত গৱেষণা অধ্যয়নবোৰে আশ্ৰয় ব্যৱস্থাপনা, কৰ্মচাৰীসকল তথা লিংগ-ভিত্তিক নিৰ্যাতনৰ উত্তৰজীৱীসকলৰ হকে কাম কৰি থকা বেচৰকাৰী সংগঠন আৰু অন্যান্য প্ৰতিষ্ঠান/বিভাগৰ প্ৰতিনিধিসকলৰ দৃষ্টিভংগী আৰু সামৰ্থ অধিক মজবুত কৰি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে । সেই দিশে কাম কৰাৰ বাবে এটি টুলকিট (toolkit) বা সমল-সমষ্টি সাজি ওলিওৱা হৈছে। ইয়াত আছে :

>> প্ৰশিক্ষকৰ বাবে হাতপুথি
>> অংশগ্ৰহণকাৰীসকলে যি শিকিলে তাক নথিভুক্ত কৰাৰ বাবে এখন ৱৰ্কবুক/জাৰ্নেল
>> লিংগ-ভিত্তিক নিৰ্যাতনৰ উত্তৰজীৱীসকলৰ অধিকাৰৰ ওপৰত এখন পুস্তিকা
>> পাৰিবাৰিক নিৰ্যাতনৰপৰা মহিলাৰ সুৰক্ষা আইন, ২০০৫-ৰ বিষয়ে তথ্যমূলক কিছু পোষ্টাৰ
>> লিংগ পৰিচয় আৰু যৌন অভিমুখিতাৰ বিষয়ে প্ৰচলিত ভুল ধাৰণা আৰু শুদ্ধ তথ্যৰ ওপৰত এখন পুস্তিকা।

টুলকিটটোৰ মূল আধাৰ আছিল এলচিএনৰ গৱেষণাৰ ফলাফলবোৰ, আৰু ইয়াক এলচিএন নেটৱৰ্কৰ সদস্য অনুষ্ঠানবোৰৰ সহযোগিতাত গঢ় দিয়া হৈছে। সেয়া আছিল এক দিহা-পৰামৰ্শ আদান-প্ৰদানৰ প্ৰক্ৰিয়া, যত আছিল অনলাইন আৰু অফলাইন আলোচনাৰাজি, প্ৰতিটো স্তৰত পৰ্যালোচনা, আৰু প্ৰশিক্ষকৰ প্ৰশিক্ষণ। ড০ ভাৰতী শৰ্মা (শক্তি শালীনি, দিল্লী) আৰু প্ৰীতা ঝা (পিচ এণ্ড ইকুৱেলিটি চেল, আহমেদাবাদ) প্ৰমুখ্যে উপদেষ্টাসকলক ইয়াৰ ওপৰত তেওঁলোকৰ মতামত তথা পৰামৰ্শ আগবঢ়াবলৈ আমন্ত্ৰণ কৰা হৈছিল। https:// visthar.org/lam-lynti-chittara-neralu-lcn/ ৱেবচাইটটোত ইয়াক বিনামূল্যে উপলব্ধ কৰা হ'ব।

## লিংগ-সংবেদনশীল আশ্ৰয়গৃহ: প্ৰশিক্ষণ-পৰিচালনাকাৰীৰ হাতপুথি

এই হাতপুথিখনৰ উদ্দেশ্য হৈছে মুখ্যতঃ আশ্ৰয় গৃহৰ কৰ্মচাৰীসকলৰ মাজত এক অধিকাৰ-ভিত্তিক, বিভিন্ন শ্ৰেণী তথা বৈচিত্ৰক সাঙুৰি লোৱা দৃষ্টিভংগী গঢ় দিয়া; তদুপৰি ই লিংগ-ভিত্তিক নিৰ্যাতনৰ ক্ষেত্ৰখনত সক্ৰিয় সকলোৰে বাবে, তেওঁলোক উত্তৰজীৱীসকলৰ হকে কামৰ পৰিমণ্ডলত য'তেই অৱস্থিত নহওক, অতি প্ৰাসংগিক হ'ব। আমি আশা কৰোঁ যে ই আশ্ৰয় গৃহ আৰু লিংগ-ভিত্তিক নিৰ্যাতনৰ ক্ষেত্ৰখনত কৰ্মৰত সকলক এক উত্তৰজীৱী-কেন্দ্ৰিক দৃষ্টিভংগী অৱলম্বন কৰিবলৈ সক্ষম কৰিব যাতে কুইয়েৰ মহিলা আৰু ৰূপান্তৰকামী ব্যক্তিসহ নিৰ্যাতনৰ উত্তৰজীৱী লোকসকলৰ সৈতে তেওঁলোকৰ সম্পৰ্ক অধিক সংবেদনশীল আৰু ভেদাভেদহীন হ'ব।

এই প্ৰশিক্ষণ হাতপুথিখন নাৰীবাদী সমালোচনাত্মক শিক্ষাবিধিৰ আহিঁত ৰচিত, ইয়াৰ প্ৰতিটো বৈঠক অংশগ্ৰহণকাৰীসকলৰ নিজা জীৱন অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি আগবঢ়াই নিয়া হয়। ইয়াত বিভিন্ন পদ্ধতি, দলীয় কাৰ্যকলাপ, চৰিত্ৰাভিনয়, পুন:চিন্তন আৰু পৰ্যালোচনা, কেছ ষ্টাডি, শিল্পকৰ্ম আদিৰ সংমিশ্ৰণ ব্যৱহাৰ কৰা হৈছে। সহজে বুজি পোৱাত আৰু আগৰ কোনো ঘটনা বা স্মৃতিৰ সৈতে সংযোগ স্থাপন কৰাত সহায় কৰিবলৈ এই পাঠ পৰিকল্পনাবোৰে টুলকিটৰ আন উপাদানবোৰৰ ওপৰতো নিৰ্ভৰ কৰিব।